**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 19**-07-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন টু পইণ্ট জিৰো এপ মুকলি কৰে। উল্লেখযোগ্য যে অমৃত বৃক্ষ আন্দোলনৰ প্ৰথম সংস্কৰণৰ সফলতাৰ পাছত অহা ১ আগষ্টৰ পৰা ১০ আগষ্টলৈ অমৃত বৃক্ষ টু পইণ্ট জিৰোৰ জৰিয়তে সমগ্ৰ ৰাজ্যতে ৩ কোটি গছপুলি ৰোপণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰে নিজা নাৰ্ছাৰীৰ পৰা ৪ কোটিৰো অধিক গছপুলি ব্যৱহাৰ কৰিব। যাৰ ভিতৰত ৩ কোটি গছপুলি ৰোপণৰ বাবে আৰু ১ কোটি গছপুলি প্ৰতিস্থাপনৰ বাবে সংৰক্ষিত ৰখা হ'ব গছপুলি বিতৰণৰ সুবিধাৰ বাবে সমগ্ৰ ৰাজ্যতে ৪ হাজাৰ বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। তদুপৰি চৰকাৰে সমাগত বছৰবোৰত ১০ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০০০০

অহা সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী আইনকে ধৰি ছখন বিধেয়ক উত্থাপন কৰিব। বিত্ত বিধেয়কৰ উপৰি চৰকাৰে অসামৰিক পৰিবহণ খণ্ডত ব্যৱসায়ৰ সূচলতাৰ উদ্দেশ্যে ১৯৩৪ৰ বিমান আইনৰ সলনি ভাৰতীয় বায়ুযান বিধেয়ক ২০২৪ ও উত্থাপন কৰাৰ বাবেও তালিকাভুক্ত কৰিছে। লোকসভা সচিবালয়ে জাৰি কৰা সংসদীয় বুলেটিনত কালি সন্ধিয়া তালিকাভুক্ত বিধেয়ক কেইখনৰ বিষয়ে প্ৰকাশ কৰা হৈছে। এই বৰ্ষাকালীন অধিৱেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব।

০০০০০০০০

চিৰাং জিলাৰ চিদলি-কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি এটা মহাকাশ পৰ্যৱেক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে বি টি চিৰ শিক্ষা বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা এই কেন্দ্ৰটো বড়ো সমাজৰ হকে কাম কৰি অহা সাংবাদিক-সমাজকৰ্মী প্ৰয়াত চিনো বসুমতাৰীৰ সোঁৱৰণত নামকৰণ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো বিদ্যালয় মহাকাশ পৰ্যৱেক্ষণ কেন্দ্ৰ হিচাপে চিহ্নিত হোৱা এই কেন্দ্ৰটো বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উদ্বোধন কৰে।

০০০০০০০০

জাপান ইণ্টাৰনেচনেল কো-অ'পাৰেচন এজেন্সি চমুকৈ জাইকাৰ এটা প্ৰতিনিধি দলে আজি বৰপেটা জিলাৰ কলগাচিয়া ৰাজহচক্ৰৰ কৰাৰকুৰত বেকী নদীৰ খহনীয়া পৰিদৰ্শন কৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তত্বাৱধানত আৰু জাইকাৰ প্ৰতিনিধি বিশেষজ্ঞ কুৰানো টাকাশ্বিৰ নেতৃত্বত অঞ্চলটোত উপস্থিত হোৱা দলটোৱে খহনীয়া প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰি থকা ব্যৱস্থাও পৰ্যৱেক্ষণ কৰে। উল্লেখযোগ্য যে বেকী নদীৰ ভয়াবহ খহনীয়াই বঙাইগাঁও জিলাৰ টুলুঙীয়াৰ পৰা কামৰূপৰ আমিনগাঁও সংযোগী ঘাইপথৰ ক্ষতিসাধন কৰাৰ লগতে কৰাৰকুৰত পথটোৰ মাজ অংশলৈকে খহনীয়া হোৱা পৰিলক্ষিত হৈছে।

০০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিৱেশন অহা ২২ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই কালি এখন অধিসূচনাযোগে শৰৎকালীন অধিৱেশন ২২ আগষ্টৰ পৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিৱেশনৰ কাম-কাজ আৰম্ভ হ'ব।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষাৰ ফলাফল চহৰ আৰু পৰীক্ষা কেন্দ্ৰ অনুসৰি কাইলৈ দুপৰীয়া ১২ বজাৰ ভিতৰত ৱেবছাইটত প্ৰকাশ কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰিছে। পৰীক্ষা অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ দিছে। পৰীক্ষাৰ্থীৰ পৰিচয় গোপনে ৰাখি এই ফলাফল ঘোষণা কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। **নীট ইউ জি** পৰীক্ষাৰ কেলেংকাৰী গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মনোজন মিশ্ৰক লৈ গঠিত বিচাৰ পীঠে এই নিৰ্দেশ দিছে। গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ২২ জুলাই ধাৰ্য কৰাৰ লগতে সেইদিনাই চূড়ান্ত ৰায় দিয়াৰ সম্ভাৱনা আছে।

০০০০০০০০

ঃসমাপ্তঃ